অধ্যায় ১০ ঃ প্রাক্-অৰুণোদয় যুগৰ সাহিত্য

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ প্রাক্-অৰুণোদয়কালীন সামাজিক পটভূমি
১০.৪ প্রাক্-অৰুণোদয় যুগৰ অসমীয়া সাহিত্য
১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৬ অধিক জানিবলৈ
১০.৭ অগ্রগতিৰ খতিয়ান
১০.৮ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া সাহিত্যৰ কোন সময়ছোৱাক 'অৰুণোদয় যুগ' বুলি অভিহিত কৰা হয় সেই সম্পর্কে জ্ঞাত হ'ব
- প্রাক্-অৰুণোদয়কালীন সামাজিক পটভূমি সম্পর্কে আলোচনা কৰিব পাৰিব
- অৰুণোদয় যুগক কেনেদৰে শ্রেণী বিভাজন কৰা হৈছে সেয়া অৱগত হোৱাৰ লগতে প্রাক্-অৰুণোদয় স্তৰৰ লেখকসকলৰ সাহিত্যকৃতি সম্পর্কে ধাৰণা লভিব।

১০.২ পৰিচয়

পূর্বৱর্তী অধ্যায়ত আপুনি শংকৰোত্তৰ যুগৰ অসমীয়া সাহিত্য সম্পর্কে অধ্যয়ন কৰিলে। শংকৰোত্তৰ যুগৰ পৰৱর্তী সময়ৰ পৰাই অসমীয়া সাহিত্যত আধুনিক যুগৰ আৰম্ভণি ঘটিছে বুলি সাহিত্যৰ ইতিহাসকাৰসকলে কোৱা কথাখিনিও ইতিমধ্যে আপুনি দ্বিতীয় অধ্যায়ত অধ্যয়ন কৰি আহিছে। মন কৰিব যে আধুনিক যুগৰ অসমীয়া সাহিত্যক আকৌ অৰুণোদয় যুগ, জোনাকী যুগ আৰু সাম্প্রতিক যুগ — নামেৰে স্তৰ বিভাজন কৰিব পাৰি। সাধাৰণতে ইংৰাজী ১৮৪৬ চনত *অৰুনোদই* কাকত প্রকাশ হোৱাৰে পৰা অসমীয়া সাহিত্যৰ আধুনিক যুগ আৰম্ভ হোৱা বুলি ধৰা হয়।

আধুনিক অসমীয়া সাহিত্যৰ উন্মেষৰ স্তৰটোৰ নাম 'অৰুণোদয় যুগ'। ১৮৪৬ চনৰ পৰা ১৮৮৯ চনৰ ভিতৰত ৰচিত অসমীয়া সাহিত্যখিনিক 'অৰুণোদয় যুগ'ৰ সাহিত্য নামে অভিহিত কৰা হয়। দৰাচলতে ১৮৪৬ চনত *অৰুনোদই* নামৰ এখনি আলোচনী তথা সম্বাদপত্র প্রকাশ পায়। এইখনেই অসমীয়া ভাষাত প্রকাশ পোৱা প্রথম আলোচনী বা বাতৰিকাকত। এই আলোচনীখনিৰ

নামেৰে এই যুগটোক 'অৰুণোদয়' বুলি নামকৰণ কৰা হৈছে। ১৮৮৯ চনত *জোনাকী* কাকতৰ প্রকাশৰ লগে লগে এই যুগটোৰ অৱসান ঘটে। উল্লেখযোগ্য যে ১৮৪৬ চনৰ আগতেও কিছু সংখ্যক লেখকে অসমীয়া ভাষা-সাহিত্যৰ ভঁৰাললৈ অৱদান আগবঢ়াইছিল। তেওঁলোকক 'প্রাক্-অৰুণোদয় স্তৰ'ৰ লেখক হিচাপে সাহিত্যৰ বুৰঞ্জীকাৰসকলে চিহ্নিত কৰিছে আৰু তেওঁলোকৰ সময়সীমা নির্ধাৰণ কৰিছে ১৮২৬-১৮৪৬ চনলৈ।

এই অধ্যায়টিত প্রাক্-অৰুণোদয় স্তৰ আৰু প্রাক্-অৰুণোদয়কালীন সামাজিক পটভূমি সম্পর্কে বহলাই আলোচনা দাঙি ধৰা হৈছে। অধ্যায়টোৰ অধ্যয়নে আপোনাক এই সময়খিনিৰ অসমীয়া সাহিত্যৰ সম্যক ধাৰণা প্রদান কৰিব।

১০.৩ প্রাক্-অৰুণোদয়কালীন সামাজিক পটভূমি

প্রাক্-অৰুণোদয় যুগৰ সামাজিক পটভূমি সম্পর্কে আলোচনা কৰিবলৈ হ'লে আমি অসম বুৰঞ্জীৰ মানৰ আক্রমণৰ সময়লৈ উভতি যাব লাগিব। এবাৰ এবাৰকৈ তিনিবাৰ অসম আক্রমণ কৰিছিল মানে। এই আক্রমণৰ ফলত অসম প্রায় মৰিশালিত পৰিণত হৈছিল। মানৰ অত্যাচাৰত অসমীয়া মানুহে যি জীয়াতু ভুগিবলগীয়া হৈছিল, তাৰ তুলনা পাবলৈ নাই। মানৰ আক্রমণত জুৰুলা হোৱা অসমীয়া জাতি সেই সময়ত মৰিশালিৰ পৰা অহা মানুহৰ দৰে আনন্দবিহীন, উৎসাহশূন্য হৈ পৰিছিল। অসমীয়া মানুহে যিকোনো উপায়ে এই দুর্দশাপূর্ণ অৱস্থাৰ পৰা পৰিত্রাণ বিচাৰিছিল। সেই সময়তে ইষ্ট-ইণ্ডিয়া কোম্পানীয়ে অসমীয়া মানুহক মানৰ অত্যাচাৰৰ পৰা ৰক্ষা কৰিবলৈ অসমত আহি উপস্থিত হয়। ফলত ইষ্ট-ইণ্ডিয়া কোম্পানীৰ লগত মানৰ 'ইয়াণ্ডাবু সন্ধি' স্বাক্ষৰিত হয়। ১৮২৬ চনৰ এই ইয়াণ্ডাবু সন্ধিৰ চর্ত অনুসৰি অসম দেশ ইষ্ট-ইণ্ডিয়া কোম্পানী অর্থাৎ ইংৰাজৰ হাতলৈ যায়। ইংৰাজৰ হাতলৈ শাসন ব্যৱস্থা গ'লেও মানৰ অত্যাচাৰৰ পৰা ৰক্ষা পোৱাত অসমীয়া মানুহে স্বস্তিৰ নিশ্বাস পেলালে। শান্তিৰে উশাহ লোৱাৰ স্বার্থতে ইংৰাজৰ শাসন মানি লোৱাৰ বাহিৰে অসমীয়া মানুহৰ আন উপায়ো নাছিল। মানৰ আক্রমণত বিপর্যস্ত অসমীয়া জাতিৰ জীৱনী শক্তিও তেতিয়া তেনেই ক্ষীণ হৈ পৰিছিল।

মানক খেদি দেশখন থান-থিত লগাৰ পাছত ইংৰাজসকলে অসম এৰি গুচি যাব বুলি ভবা হৈছিল। কিন্তু বাস্তৱত তেওঁলোকে অসমখন স্থায়ীভাৱে দখল কৰি লোৱাৰ বাবেহে উঠি-পৰি লাগিল। বিপদৰ সময়ত সহায় কৰিবলৈ আহি ৰক্ষকেই যেতিয়া ভক্ষক হৈ সকলো ক্ষমতা নিজৰ হাতলৈ নিলে, তেতিয়াই অসমীয়া জাতিৰ স্বাধীনতাৰো বিলুপ্তি ঘটিল। সেই সময়ত মানৰ আক্রমণত জর্জৰিত অসমীয়া মানুহৰ প্রতিবাদ কৰিবলৈও শক্তি নাছিল। গতিকে ইংৰাজৰ ৰাজত্বক মানি লৈ যি শান্তি-সমৃদ্ধি দেশখনলৈ আহিব বুলি ভবা হৈছিল, সেই শান্তি-সমৃদ্ধি নাহিল। মানক খেদাৰ ছলেৰে ইংৰাজে অসমত খুঁটি পুতি বহিহে ল'লে।

ব্রিটিছে অসম দখল কৰাৰ পৰৱর্তী কালত অসমৰ সমাজ গাঁথনিত কিছু পৰিমাণে ৰূপান্তৰ সাধিত হয় যদিও মূল গঠন বিন্যাস প্রায় একেই থাকিল। অৱশ্যে নতুন সমাজ ব্যৱস্থাত 'মধ্যবিত্ত' নামেৰে এক নতুন সামাজিক শ্রেণীয়ে আত্মপ্রকাশ কৰে। ইংৰাজসকলৰ আমোলত আহোম

স্বৰ্গদেউসকলৰ দিনত বিষয়া, ডা-ডাঙৰীয়াসকলে লাভ কৰা পদমর্যাদা আৰু সা-সুবিধাসমূহ কর্তন কৰা হয়। ভাৰতৰ উত্তৰ-পূব সীমান্ত অঞ্চলৰ গৱর্ণৰ জেনেৰেলৰ এজেণ্ট হিচাপে কর্মৰত ডেভিদ স্কটে অসমতো তেওঁলোকৰ ইষ্ট ইণ্ডিয়া কোম্পানীৰ আর্হিত প্ৰশাসনিক কাম-কাজ আৰম্ভ কৰে। নব্য ভূমি নীতি, মুদ্ৰা অর্থনীতিৰ বিকাশ, টকাৰ মাধ্যমত মাটিৰ খাজানা, হাট, ঘাট, বিল, হাবি-জংঘল আদিৰ ওপৰত নতুন নতুন কৰ-কাটল বহুওৱা হয়। প্ৰতি ***পাইকৰ*** ওপৰত তিনি টকাকৈ কৰ আৰোপ, ***ৰায়তৰ*** মাটিৰ ওপৰত খাজনা আৰোপ, ***ব্ৰহ্মোত্তৰ*** আৰু ***দেৱোত্তৰ*** মাটিৰ ওপৰত খাজনা আৰোপ আদিৰ যোগেদি ইংৰাজে অসমীয়া মানুহক শোষণ কৰি প্ৰভুত্ব বিস্তাৰ কৰিবলৈ ধৰিলে। প্ৰতি পাইকৰ ওপৰত তিনি টকাকৈ কৰ আৰোপ, ৰায়তৰ মাটিৰ ওপৰত খাজানা আদিয়ে অসমীয়া সমাজখনৰ সাধাৰণ শ্ৰেণীৰ মানুহখিনিৰ আর্থিক স্থিতি আৰু অৱনমিত কৰি তোলে। ইংৰাজসকলে জাপি দিয়া নতুন আইন-কানুন, পদ্ধতি আদি অসমৰ বাবে আচহুৱা আছিল; পুৰণি ডা-ডাঙৰীয়াসকলেও তাৰ আও-ভাও পোৱা নাছিল। সেইবাবে এই নব্য শাসন ব্যৱস্থাত ঠাই পালে শিক্ষিত ব্যক্তিয়ে। "ইতিহাসৰ গতিগোত্ৰ অনুধাৱন কৰি অসমীয়া আঢ্যৱন্ত আৰু উচ্চ-বর্ণৰ লোকসকলে ব্ৰিটিছৰ অনুগত হয়; কাৰণ শিক্ষিত শ্ৰেণীটোৰ অধিকাংশই আছিল এই শ্ৰেণীৰ অন্তর্গত।" এই সময়ছোৱাত অসমৰ সমাজ জীৱনত হোৱা পৰিৱর্তনসমূহ তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি।



পাইক ঃ আগৰ দিনৰ নিচেই সাধাৰণ মানুহ।

ৰায়ত ঃ খাজনা দি মাটি খাই থকা প্ৰজা।

ব্ৰহ্মোত্তৰ ঃ বামুণক দান দিয়া কৰবিহীন মাটি।

দেৱোত্তৰ ঃ দেৱতাৰ পূজা চলাবৰ বাবে দিয়া কৰবিহীন মাটি ; মঠ, মন্দিৰ আদিৰ মাটি।

অপভ্রংশ ঃ মূল ভাষা বা শব্দৰ বিকৃত ৰূপ।

এনে দুর্যোগপূর্ণ অৱস্থাত অসমৰ শিক্ষা আৰু সাহিত্যলৈ চাবৰ কাৰো আহৰি নাছিল। জীয়াই থকাটোৱে মুখ্য সমস্যা হৈ পৰিছিল। তাতে আকৌ যেতিয়া অসমীয়া ভাষাক বহিষ্কাৰ কৰি বাংলা ভাষাক পঢ়াশালি আৰু আদালতত ঠাই দিলে তেতিয়া শিক্ষা আৰু সাহিত্যচর্চাৰ সামান্য সম্ভাৱনাকণো নোহোৱা হৈ পৰিল। ইংৰাজে তেওঁলোকৰ শাসন কার্যত সহায়ৰ বাবে, কেৰাণী-মহৰী আদি কামৰ বাবে বংগদেশৰপৰা বাঙালী লোকক অসমলৈ আমদানি কৰিছিল। বাঙালী আমোলাসকলৰ কিছু অংশই ইংৰাজক বুজাই দিলে যে অসমীয়া ভাষা এটা স্বতন্ত্ৰীয়া ভাষা নহয়, ই বাংলা ভাষাৰে এটা গ্ৰাম্য ***অপভ্রংশ*** মাত্ৰ। গতিকে অসমীয়া ভাষাৰ সলনি অসমৰ পঢ়াশালি, আদালতত বাংলা ভাষাৰহে প্ৰচলন হ'ব লাগে। ইংৰাজ শাসকসকলেও দেখিলে অসমত বাংলা ভাষা চলালে প্ৰশাসনিক সুবিধা বেছি। সেয়ে ১৮৩৬ চনত স্কুল-কাছাৰী আদিত অসমীয়া ভাষাৰ পৰিৱর্তে বাংলা ভাষাক ইংৰাজে প্ৰতিষ্ঠা কৰিলে। ১৮৩৬ চনৰপৰা ১৮৭৩ চনলৈ প্ৰায় দুকৰি বছৰকাল বাংলা ভাষাই অসমৰ পঢ়াশালি আৰু আদালতত আধিপত্য লাভ কৰাৰ ফলত অসমৰ শিক্ষা, ভাষা, সাহিত্যৰ ক্ষেত্ৰত অশেষ ক্ষতি হ'ল। তদুপৰি ইয়াৰ ফলত অসমীয়া মানুহ পঞ্চাশ বছৰকাল পিছু�ৱাই যাবলগীয়াত পৰিল। সেইবাবে ১৮৩৬ চনৰপৰা ১৮৭৩ চনলৈ এই সময়ছোৱাক অসমীয়া সাহিত্যৰ বুৰঞ্জীকাৰসকলে 'অন্ধকাৰ যুগ' বুলি আখ্যা দিছে।

অসমীয়া ভাষাৰ এনে দুৰৱস্থা আৰু অন্ধকাৰময় সময়তে ১৮৩৬ চনত সুদূৰ আমেৰিকাৰ পৰা বেপ্তিষ্ট মিছনেৰীসকলে খ্ৰীষ্টধর্ম প্ৰচাৰৰ উদ্দেশ্যে অসমত ভৰি দিয়েহি। নাথান ব্ৰাউন, ও.টি.কট্টাৰ, মাইলচ্ ব্ৰন্সন আদি মিছনেৰীয়ে ধর্ম প্ৰচাৰৰ উদ্দেশ্যে শিৱসাগৰ, নগাঁও, গুৱাহাটী আদি ঠাইত থিতাপি লয়। অসমত ধর্মপ্ৰচাৰ কৰিবলৈ লওঁতেই মিছনেৰীসকলৰ সন্মুখত দেখা

দিলে ভাষা সমস্যাই। তেওঁলোকে বঢ়িয়াকৈ বুজি উঠিছিল যে থলুৱা ভাষাত ধর্ম সম্পকীয় পুথি-পাঁজি প্রকাশ নকৰি বিদেশী অথবা বাংলা ভাষাৰ সহায় ল'লে উদ্দেশ্য সিদ্ধি নহয়। অথচ তেওঁলোকে দেখা পালে যে মাতৃভাষাৰ সলনি তেতিয়া অসমৰ পঢ়াশালি, আইন-আদালত আৰু শাসন ব্যৱস্থা সকলোতে বাংলা ভাষাৰহে প্রচলন। বিদেশী আচহুৱা ভাষা এটাৰ যোগেদি যে এটা জাতিক শিক্ষিত আৰু জ্ঞানী কৰি তুলিব নোৱাৰি সেইকথা মিছনেৰীসকলে বুজি পাইছিল। কিন্তু ব্রিটিছ শাসকসকলেহে সাধাৰণ কথাটো বুজিও নুবুজাৰ দৰে বাংলা ভাষা প্রৱর্তন কৰিছিল। অসমীয়া ভাষাৰ সম্প্রসাৰণৰ বাবে মিছনেৰীসকলে অসমৰ বিভিন্ন ঠাইত পঢ়াশালি স্থাপন কৰে। মিছনেৰীসকলৰ সহযোগত অসমৰ বিভিন্ন ঠাইত গঢ়ি উঠা পঢ়াশালিবোৰে অসমত শিক্ষা প্রচাৰৰ ক্ষেত্রত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। গতিকে দেখা যায় যে আধুনিক অসমীয়া ভাষা-সাহিত্যৰ বিকাশত মিছনেৰীসকলে আগবঢ়োৱা অৱদানৰ ভিতৰত পঢ়াশালি স্থাপন প্রথম আৰু গুৰুত্বপূর্ণ অৱদান।

অসমীয়া ভাষা প্রচলনৰ বাবে পঢ়াশালি প্রতিষ্ঠা কৰাৰ পাছত দেখা দিয়া সমস্যাটো হ'ল পাঠ্যপুথিৰ অভাৱ। সেয়ে মিছনেৰীসকলেই অসমীয়া ভাষাত পাঠ্যপুথি প্রণয়ন কৰিবলগীয়া হ'ল। ইয়াৰ ফলস্বৰূপে ছপা হৈ ওলাল— *বাৰেমতৰা, প্রথম কিতাপ, সাধুকথা, প্রথম গণনা, দুতিয়া গণনা, পদার্থবিদ্যা* আদি পুথি। অসমীয়া ভাষাৰ প্রচলনৰ ক্ষেত্রত এইখিনি পাঠ্যপুথিৰ ঐতিহাসিক মূল্য অসীম।

পঢ়াশালি স্থাপন আৰু পুথি ৰচনাৰ লগে লগে মিছনেৰীসকল আন এটা সমস্যাৰ সন্মুখীন হ'ল। সেই সমস্যাটো হ'ল— ছপাশালৰ সমস্যা। গতিকে মিছনেৰীসকলেই অসমত ছপাশালো বহুৱাব লগাত পৰিল। কট্টাৰ আৰু নাথান ব্রাউনৰ যত্নতে শিৱসাগৰত এটি ছপাশাল প্রতিষ্ঠা হয়। এইদৰে অসমত ছপাশাল প্রতিষ্ঠা হোৱাৰ ফলত পাঠ্যপুথি আৰু খ্রীষ্টধর্ম প্রচাৰমূলক অনেক পুথি ৰচনা আৰু ছপা হ'বলৈ ধৰে। ফলত অসমত এটা শৈক্ষিক পৰিৱেশ গঢ় লৈ উঠিবলৈ ধৰে।

পঢ়াশালি স্থাপন, পাঠ্যপুথি প্রণয়ন, ছপাশাল স্থাপন কৰিয়েই মিছনেৰীসকল ক্ষান্ত থকা নাছিল। বাংলা ভাষাক অসমীয়াৰ ওপৰত জাপি দি তেতিয়াৰ ইংৰাজ চৰকাৰে যি ভুল ভাষা-নীতি গ্রহণ কৰিছিল তাৰ বিৰুদ্ধেও এওঁলোকে যুঁজ দিছিল। প্রমাণ সহকাৰে চৰকাৰী নীতিৰ ভুলবোৰ আঙুলিয়াই দিছিল। মিছনেৰীসকলৰ লগত যোগ দিছিল আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা, হেমচন্দ্র বৰুৱা আদি স্বদেশপ্রেমী যুৱকে। আনন্দৰাম ঢেকিয়াল ফুকনে অকলশৰীয়াকৈ অসমৰ পঢ়াশালি আৰু কাছাৰীত অসমীয়া ভাষা প্রৱর্তনৰ বাবে প্রথমবাৰৰ বাবে অনুৰোধ জনালে। ১৯৫৩ চনত মোফট মিলছ অসমলৈ প্রশাসনিক কামত আহোঁতে এই প্রতিবেদনখন দাখিল কৰা হৈছিল। মিলছেও তেওঁৰ প্রতিবেদনত অসমীয়া ভাষাৰ স্বকীয়তাৰ বিষয়ে সহমত পোষণ কৰিছিল। অৱশ্যে ইংৰাজ চৰকাৰে এই ক্ষেত্রত কোনো ধৰণৰ সঁহাৰি নিদিলে। সেয়ে পৰৱর্তী কালত আনন্দৰামে *A Few Remarks on the Assamese Language and on Vernicular Education of Assam* নামেৰে এখন পুস্তিকা প্রস্তুত কৰি অসমীয়া ভাষাৰ প্রকাশিকা শক্তি সাব্যস্ত কৰি স্ব-ভূমিত প্রাপ্য অধিকাৰ দিবৰ বাবে যুঁজ কৰিছিল। এই ক্ষেত্রত

তেওঁক সহায়-সহযোগ আগবঢ়াইছিল মিছনেৰীসকলে। এই পুথিখন ১৮৫৫ চনত ছপা পুস্তিকা ৰূপে প্ৰকাশ কৰি মিছনেৰীসকলে ব্ৰিটিছ চৰকাৰলৈ পঠিওৱাৰ লগতে জনা-বুজা লোকৰ মাজত বিনামূলীয়াকৈ বিতৰণ কৰিছিল। উল্লেখ্যযোগ্য যে এই পুস্তিকাখন আনন্দৰামে নিজৰ নামেৰে নিলিখি A Native ছদ্মনামেৰেহে লিখিছিল। এয়া হয়তো ব্ৰিটিছৰ সাম্ৰাজ্যবাদী নীতিৰ প্ৰতি তেওঁৰ আনুগত্যৰ এক নিদৰ্শন। অৱশ্যে এটা কথা ঠিক যে ব্ৰিটিছৰ একান্ত আনুগত্য স্বীকাৰ কৰিও আনন্দৰামে অসমীয়া ভাষাৰ স্বকীয়তা প্ৰতিষ্ঠাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। ইয়াৰ পূৰ্বেও তেওঁ অসমীয়া ভাষা-সাহিত্যৰ বিকাশৰ বাবে কেইবাখনো পুথি ৰচনা কৰিছিল। তেওঁক অনুসৰণ কৰিয়েই তেওঁৰ মৃত্যুৰ পাছত এই দুয়োটা কাম কান্ধ পাতি লয় হেমচন্দ্ৰ-গুণাভিৰামে। এইদৰে দেশী-বিদেশী অসমপ্ৰেমীসকলৰ আশাশুধীয়া প্ৰচেষ্টাৰ ফলত ইংৰাজ চৰকাৰে অৱশেষত অসমত প্ৰয়োগ কৰা ভাষানীতি পৰিৱৰ্তন কৰাৰ প্ৰয়োজন বোধ কৰিলে। ১৮৭৩ চনত ইংৰাজ চৰকাৰে নিজৰ ভুল বুজি পাই অসমীয়া ভাষাক পুনৰ ন্যায্য স্থান ঘূৰাই দিয়ে। তথাপি ১৮৩৬ চনৰ পৰা ১৮৭৩ চনলৈ অসমত মাতৃভাষাৰ সলনি বাংলা ভাষা প্ৰচলন হোৱাৰ ফলত অসমৰ শিক্ষা আৰু সাহিত্যৰ ক্ষেত্ৰত অপূৰণীয় ক্ষতি হ'ল। তাৰ ফলত অসমীয়া ভাষা-সাহিত্য ভাৰতবৰ্ষৰ আনবোৰ প্ৰদেশৰ তুলনাত বহুখিনি পিছ পৰি ৰ'ল।

এইখিনিতে উল্লেখযোগ্য যে মিছনেৰীসকলে ১৮৪০ চনত শিৱসাগৰত স্থাপন কৰা মিছনেৰী প্ৰেছৰ পৰাই প্ৰথম অসমীয়া সংবাদ-পত্ৰ আৰু আলোচনী *অৰুনোদই* প্ৰকাশ হয় ১৮৪৬ চনত। *অৰুনোদই* কাকতে ধৰ্ম, সাহিত্য, বিজ্ঞান, ইতিহাস আদি বিষয়ক প্ৰবন্ধ প্ৰকাশ কৰাৰ উপৰি সাধাৰণ-জ্ঞান সম্বন্ধীয় অনেক সংবাদ যোগান ধৰি আধুনিক চিন্তা-চৰ্চাৰ বাট মুকলি কৰি দিছিল। মহেশ্বৰ নেওগৰ ভাষাত "ৰাজভগনৰপৰা বাদুলিয়ে কলঠোক খোৱালৈ" সকলোধৰণৰ সৰু-বৰ খবৰ *অৰুনোদই*ত প্ৰকাশ পাইছিল। দৰাচলতে, মিছনেৰীসকলে অসমীয়া মানুহৰ এক দুৰ্যোগপূৰ্ণ সময়ত অসমীয়া মানুহৰ পক্ষত থিয় দি ত্ৰাণকৰ্তাৰ ভূমিকা পালন কৰিছিল। সেইবাবে হেমচন্দ্ৰ গোস্বামীয়ে সঠিকভাৱেই কৈ গৈছে — "পাদুৰী চাহাবসকল এন্ধাৰ অসমত খ্ৰীষ্টধৰ্মৰ পোহৰ সুমুৱাবলৈ আহিছিল। তেওঁবিলাকে ভাবি-চিন্তি দেখিলে, অসমীয়া ভাষাৰ নুমাওঁ নুমাওঁ হোৱা চাকিটিত তেল নিদিলে খ্ৰীষ্টধৰ্মৰ আলোকেৰে মানুহৰ মন পোহৰ কৰা টান হ'ব। কাজেই অসমীয়া ভাষাৰ শলিতা গছিৰ গুৰিত তেল ঢালিবলৈ, তেওঁবিলাক সাজু হ'ল।"

এইদৰে ইংৰাজে ৰাজ্য লোৱাৰ পৰা অসমীয়া ভাষা পুনৰ প্ৰতিষ্ঠা হোৱালৈকে প্ৰায় পঞ্চাশ বছৰকালৰ ভিতৰত সাহিত্যৰ যিখিনি চৰ্চা হ'ল— সেইখিনিয়েই অসমীয়া সাহিত্যৰ আধুনিকতাৰ ভেটি স্থাপন কৰিলে।



জানি থোৱা ভাল

'অৰুনোদই'— শব্দটিৰ আখৰ-জোঁটনিৰ ক্ষেত্ৰত ভাষাৰ ওজা হেমচন্দ্ৰ বৰুৱাৰ সৈতে মিছনেৰীসকলৰ মতবিৰোধ হৈছিল। অৱশেষত হেমচন্দ্ৰ বৰুৱাৰ অকাট্য যুক্তিৰ ওচৰত তেওঁলোক সেও হ'ল। সেয়ে, ১৯৬১

চনৰ জানুৱাৰী মাহৰ সংখ্যাটিৰ পৰা আলোচনীখনৰ নাম— *অৰুনোদই*ৰ সলনি *অৰুণোদয়* কৰা হ'ল।

১০.৪ প্রাক্-অৰুণোদয় যুগৰ অসমীয়া সাহিত্য

অৰুনোদই কাকতখনকে আধাৰ হিচাপে লৈ ১৮২৬ চনৰ পৰা ১৮৮৯ চনলৈ ৰচিত অসমীয়া সাহিত্যৰাজিক আমি তিনিটা সৰু সৰু যুগত বিভাজন কৰি আলোচনা কৰিব পাৰোঁ— 'প্রাক্-অৰুণোদয় স্তৰ' (১৮২৬-১৮৪৬), '*অৰুনোদই* ঃ অসমীয়া ভাষাৰ পুনঃ প্রতিষ্ঠাৰ সময়' (১৮৪৬-১৮৭৩) আৰু 'আধুনিক অসমীয়া ভাষা-সহিত্যৰ প্রতিষ্ঠাৰ যুগ' (১৮৭৩-১৮৮৯)। ইংৰাজসকলে অসমত তেওঁলোকৰ উপনিৱেশ স্থাপন কৰাৰ আগৰ কালছোৱাত মায়ামৰীয়া বিদ্রোহ আৰু মানৰ আক্রমণৰ বাবে অসমীয়া সমাজ জীৱন জুৰুলা হৈ পৰিছিল, এই বিষয়ে ইতিমধ্যে আগৰ শাখাটোত উল্লেখ কৰি অহা হৈছে। অসমীয়া সমাজ জীৱনৰ এনে পৰিৱেশ কেনো ধৰণৰ সুকুমাৰ কলা আৰু সাহিত্য সৃষ্টিৰ বাবে অনুকূল নাছিল। সেইবাবে ঊনবিংশ শতিকাৰ প্রথম তিনিটা দশকত কোনো ধৰণৰ উল্লেখযোগ্য সাহিত্য সৃষ্টি হোৱা নাছিল বুলিয়েই ক'ব পাৰি। তথাপি তাৰ মাজতেই প্রথমখন অসমীয়া ছপা পুথি *ধর্মপুস্তক* (বাইবেলৰ অসমীয়া ভাঙনি) ১৮১৩ চনত শ্রীৰামপুৰ মিছনেৰী প্রেছৰ পৰা প্রকাশ পায়। এই শতিকাটোৰ তৃতীয়টো দশকৰ পাছত অৱশ্যে কেইবাজনো অসমপ্রেমী লেখকে অসমীয়া ভাষা-সাহিত্যৰ উত্তৰণৰ ক্ষেত্রত অৰিহণা যোগাইছিল। এই সময়ছোৱাক সাহিত্যৰ ইতিহাসকাৰ সত্যেন্দ্রনাথ শর্মাই 'প্রাক্-অৰুণোদয় স্তৰ' বুলি অভিহিত কৰিছে, ইয়াৰ সময়সীমা ১৮২৬-১৮৪৬ চনলৈকে। এই সময়ছোৱাৰ ভিতৰত ৰচিত সাহিত্যৰাজিয়েই হ'ল প্রাক্-অৰুণোদয় স্তৰৰ অসমীয়া সাহিত্য।

কেইবাজনো মিছনেৰীৰ সহযোগত আনন্দৰাম ঢেকিয়াল ফুকনে অসমীয়া ভাষা পুনৰ প্রতিষ্ঠাৰ বাবে কৰা সংগ্রামৰ কথাও ইতিমধ্যে উল্লেখ কৰা হৈছে। *অৰুনোদই* কাকতখন প্রকাশৰ সময়ৰ পৰা অসমীয়া ভাষাৰ পুনৰ প্রতিষ্ঠা হোৱা সময়ছোৱাক, অর্থাৎ ১৮৪৬-১৮৭৩ কালছোৱাক মহেশ্বৰ নেওগে 'অৰুনোদই ঃ অসমীয়া ভাষাৰ পুনঃ প্রতিষ্ঠাৰ সময়' বুলি অভিহিত কৰিছে। অৱশ্যে মন কৰিবলগীয়া যে *অৰুনোদই* কাকতখন ১৮৮০ চনলৈকে (কোনো কোনোৰ মতে ১৮৮৩ চনলৈকে) ছেগা-চোৰোকাকৈ চলি আছিল। এই বিষয়ে ইতিমধ্যে উল্লেখ কৰি অহা হৈছে। কিন্তু অসমৰ অফিচ-কাছাৰীত অসমীয়া ভাষা পুনৰ প্রতিষ্ঠা হোৱাৰ পাছৰে পৰা অসমীয়া ভাষা-সাহিত্যলৈ নতুন প্রাণ আহে। সেইবাবে মহেশ্বৰ নেওগে— "ভাষা-সাহিত্যৰ বুৰঞ্জীৰ ফালৰ পৰা ১৮৭৩ চনটোকহে এটা স্পষ্ট মাইলৰ খুঁটি বুলি ধৰিব পাৰি" বুলি মন্তব্য কৰিছে। এই সময়ছোৱাত কেইবাজনো খ্রীষ্টীয়ান লেখকৰ লগতে অখ্রীষ্টীয়ান লেখকে অসমীয়া ভাষা-সাহিত্যৰ পুনৰ প্রতিষ্ঠাৰ বাবে অহোপুৰুষার্থ কৰিছিল।

অসমীয়া ভাষা পুনৰ প্রতিষ্ঠা হোৱাৰ সময়ৰে পৰা *জোনাকী* কাকত প্রকাশৰ সময়ছোৱা, অর্থাৎ ১৮৭৩-১৮৮৯ কালছোৱা অসমীয়া ভাষা-সাহিত্যৰ বাবে আন এক বৈশিষ্ট্যপূর্ণ সময়। এই সময়ছোৱাতে হেমচন্দ্র বৰুৱাই অসমীয়া বর্ণ-বিন্যাসৰ ৰূপ নিৰূপণ কৰিলে। মন কৰিবলগীয়া

যে *অৰুনোদই* কাকত প্ৰকাশৰ পৰৱৰ্তী সময়ত কেইবাখনো আলোচনীৰ উদ্ভৱ হৈছিল— আউনীআটী সত্ৰৰ পৰা *আসাম-বিলাসিনী* (১৮৭১-১৮৮৩), হেমচন্দ্ৰ বৰুৱাৰ *আসাম নিউজ* (১৮৮২-১৮৮৫), গুণাভিৰাম বৰুৱাৰ *আসাম বন্ধু* (১৮৮৫-১৮৮৬), হৰিনাৰায়ণ বৰাৰ সম্পাদিত বলিনাৰায়ণ বৰাৰ *মৌ* (১৮৮৬), শ্ৰীধৰ বৰুৱাৰ *আসাম তৰা* (১৮৮৯-১৮৯০), কৰুণাভিৰাম বৰুৱাৰ শিশু আলোচনী *ল'ৰাবন্ধু* (১৮৮৮) ইত্যাদি। এই আলোচনীসমূহে অসমীয়া সাহিত্যৰ ধাৰাটো বৰ্তাই ৰাখিলে যদিও একোটা যুগ সৃষ্টি কৰিবলৈ সক্ষম নহ'ল। ১৮৮৯ চনত প্ৰকাশিত *জোনাকী* কাকতে অসমীয়া সাহিত্যলৈ নতুন ভাবধাৰা সুমুৱাই আনিলে আৰু নতুন এটা যুগৰ সৃষ্টি কৰিলে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ব্ৰিটিছে অসম দখল কৰাৰ পৰৱৰ্তী কালত অসমৰ সমাজ জীৱনত সৃষ্টি হোৱা নতুন শ্ৰেণীটো কি আছিল?

.....

প্ৰশ্ন নং ২ ঃ মিছনেৰীসকলে শিৱসাগৰত কেতিয়া ছপাশাল স্থাপন কৰিছিল?

.....

প্ৰশ্ন নং ৩ ঃ *অৰুনোদই* কাকতখন প্ৰকাশ পোৱাৰ সমসাময়িক সময়ত প্ৰকাশিত আলোচনীসমূহৰ নাম উল্লেখ কৰক।

.....

.....

উল্লেখযোগ্য যে *অৰুনোদই* কাকত প্ৰকাশ হোৱাৰ আগতে মুষ্টিমেয় কেইজনমান লেখকেহে অসমীয়া ভাষা-সাহিত্যৰ উত্তৰণৰ ক্ষেত্ৰত অৰিহণা যোগাইছিল। সাহিত্যৰ বুৰঞ্জীকাৰসকলে ১৮২৬-১৮৪৬ খ্ৰীঃ সময়ছোৱাক 'প্ৰাক্-অৰুণোদয় স্তৰ' বুলি চিহ্নিত কৰিছে বুলি ইতিমধ্যেই আমি উল্লেখ কৰি আহিছোঁ। এইসময়তে শ্ৰীৰামপুৰ প্ৰেছৰ পৰা ১৮৩৩ খ্ৰীঃত আত্মাৰাম শৰ্মাই কৰা 'বাইবেলৰ অসমীয়া ভাঙনি'ৰ ২য় সংস্কৰণ প্ৰকাশ পাইছিল। ঠিক সেইদৰে ৰবিন্সন চাহাবে ইংৰাজীত লিখা *অসমীয়া ব্যাকৰণ* (১৮৩৯), কাশীনাথ তামুলীফুকনৰ *অসম বুৰঞ্জী* (১৮৪৪), মি. কাট্টাৰৰ পত্নী শ্ৰীমতী কাট্টাৰে লিখা *অসমীয়া শব্দাৱলী আৰু খণ্ডবাক্য* (১৮৪০), বিশ্বেশ্বৰ বৈদ্যাধিপৰ *বেলিমাৰৰ বুৰঞ্জী* (১৮৩৩-৩৮), যদুৰাম ডেকাবৰুৱাৰ প্ৰথম *বঙলা-অসমীয়া অভিধান* (১৮৩৯), মণিৰাম বৰভাণ্ডাৰ বৰুৱা (মণিৰাম দেৱান)ৰ *বুৰঞ্জী বিৱেকৰত্ন* (১৮৩৮) আদি পুথি এই সময়ছোৱাত ৰচনা কৰা হৈছিল আৰু তেওঁলোকে অসমীয়া সাহিত্যৰ শ্ৰীবৃদ্ধিত সহযোগ কৰিছিল। উল্লেখ্য যে হলিৰাম ঢেকিয়াল ফুকনেও এই সময়ছোৱাতে সাহিত্য ৰচনাত হাত দিছিল যদিও তেওঁ অসমীয়াৰ পৰিৱৰ্তে বাংলা ভাষাতহে সাহিত্য ৰচনাত হাত দিছিল। তেওঁ বাংলা ভাষাত *আসাম বুৰঞ্জি* প্ৰণয়ন কৰিছিল। এই সময়ৰ লেখকসকলৰ বিষয়ে চমুকৈ তলত উল্লেখ কৰা হ'ল।

- **আত্মাৰাম শর্মা ঃ** কলিয়াবৰৰ আত্মাৰাম শর্মাই জগন্নাথ ক্ষেত্র দর্শন কৰি ঘূৰি আহোঁতে শ্রীৰামপুৰত উইলিয়াম কেৰি চাহাবৰ সংস্পর্শলৈ আহি খ্রীষ্টধর্ম গ্রহণ কৰে। তেওঁ কেৰি চাহাবৰ নির্দেশমতে *নিউ টেষ্টামেণ্ট* আৰু পাছত *অল্ড টেষ্টামেণ্ট* অসমীয়ালৈ অনুবাদ কৰে। তদুপৰি সেই সময়ত প্রকাশ পোৱা খ্রীষ্ট ধর্ম সম্পর্কীয় অসমীয়া প্রচাৰ পুস্তিকাসমূহো আত্মাৰাম শর্মাই ৰচনা কৰিছিল বুলি ধাৰণা কৰা হয়। এওঁৰ ৰচনাত তৎসম শব্দৰ প্রয়োগ অধিক আৰু আখৰ জোঁটনিও ব্রাউন, ব্রন্সন চাহাবতকৈ কিছু পৃথক।
- **কাশীনাথ তামুলীফুকন ঃ** পুৰন্দৰ সিংহৰ লালবন্দীকে লোৱা ৰাজত্ব কালত তেওঁৰ ৰাজসভাসদ হোৱাৰ লগতে ইংৰাজৰ অধীনত মুন্সিফ হিচাপে কার্যনির্বাহ কৰিছিল কাশীনাথ তামুলী ফুকনে। এওঁ ৰচনা কৰা *অসম বুৰঞ্জী*খন শিৱসাগৰৰ মিছনেৰী প্রেছৰ পৰা প্রকাশ হৈছিল। ১৮৪৪ খ্রীঃত এই পুথিখন শিৱসাগৰৰ আমেৰিকান বেপ্তিষ্ট মিছনেৰীসকলৰ ছপাশালত ছপা হৈ প্রকাশ হৈছিল। উল্লেখযোগ্য যে এই বুৰঞ্জীখন ৰচনা কৰাৰ ক্ষেত্রত তেওঁলৈ সহায়ৰ হাত আগবঢ়াইছিল *তুংখুঙীয়া বুৰঞ্জী*ৰ লেখক শ্রীনাথ বৰবৰুৱাৰ পুতেক ৰাধানাথ বৰবৰুৱাই। এওঁৰ বুৰঞ্জীখনৰ আলমতে পৰৱর্তীকালত হৰকান্ত শর্মা মজিন্দাৰ বৰুৱাই *আসাম বুৰঞ্জী*খন ৰচনা কৰে।
- **বিশ্বেশ্বৰ বৈদ্যাধিপ ঃ** পুৰন্দৰ সিংহৰ আমোলত ৰাজ বৈদ্যৰ আসন শুৰনি কৰা বিশ্বেশ্বৰ বৈদ্যাধিপে পুৰণি কাব্যৰ ৰীতিৰে (পদ, দুলড়ী, ছবি, লেছাৰি, ঝুমুৰা ছন্দত) এখন বুৰঞ্জী প্রণয়ন কৰে। গৌৰীনাথ সিংহৰ পৰা চন্দ্রকান্ত সিংহৰ ৰাজত্বকালৰ ঐতিহাসিক ঘটনাৰাজিক অবিকৃতভাৱে আৰু কাব্যসুলভ ভাষাৰে *বেলিমাৰৰ বুৰঞ্জী*ত এওঁ সন্নিৱিষ্ট কৰিছে। বুৰঞ্জীবিদ সূর্যকুমাৰ ভূঞাই এওঁৰ বুৰঞ্জীখনক *বেলিমাৰৰ বুৰঞ্জী* বুলি নামকৰণ কৰি প্রকাশ কৰিছে। এই বুৰঞ্জীখনত ১৭৯০ চনৰ পৰা ১৮১৯ চনৰ প্রাৰম্ভলৈকে অসম বুৰঞ্জীৰ ঘটনাৰাজি সন্নিবিষ্ট আছে। সূর্যকুমাৰ ভূঞাই এই বুৰঞ্জীখন ৰচনাৰ সময়সীমা ১৮৩৩ চনৰ পৰা ১৮৪৬ চনৰ ভিতৰত বুলি মত পোষণ কৰিছে।
- **মণিৰাম দেৱান ঃ** শিৱসাগৰ চাৰিঙৰ ৰাজদত্ত বৰুৱাৰ পুত্র মণিৰাম দেৱান পুৰন্দৰ সিংহৰ ৰাজত্বৰ দ্বিতীয় কালত ৰাজসভাসদ আছিল। তেওঁ ইংৰাজীৰ অধীনত মিৰমুঞ্চি আৰু পেচকাৰ হিচাপেও কার্যনির্বাহ কৰিছিল যদিও পৰৱর্তীকালত অসম চাহ কোম্পানীত দেৱান হিচাপে নিযুক্তি লভিছিল। অৱশ্যে পাছলৈ নিজাকৈ চাহ বাগিচা খুলিছিল। তেওঁ ইংৰাজ ৰাজত্বৰ অৱসান ঘটাবলৈ চেষ্টা কৰিছিল। এই দ্রোহৰ বাবে ইংৰাজসকলে মণিৰাম দেৱানক মৃত্যুদণ্ডৰে দণ্ডিত কৰে। মণিৰাম দেৱানে ৰচনা কৰা *বুৰঞ্জী বিৱেকৰত্নৰ* দ্বিতীয়টো খণ্ডহে বর্তমানলৈকে উদ্ধাৰ হৈছে। ১৮৩৮ চনত ৰচনা কৰা এই খণ্ডটো প্রাচীন কামৰূপ-অসমৰ সামাজিক-সাংস্কৃতিক বুৰঞ্জীৰ এক বিৰাট ভঁৰাল বুলি সাহিত্যৰ ইতিহাসকাৰসকলে বিবেচনা কৰে। প্রাচীন কামৰূপৰ ধর্ম আৰু সমাজ, জাতি আৰু বর্ণ, আহোম শাসন পদ্ধতিৰ কিছু দিশ, বৈষ্ণৱ গ্রন্থ আৰু সত্রৰ উৎপত্তি, বৈষ্ণৱ সত্রৰ চাৰি সংহতিৰ বিকাশ, শাক্ত গোস্বামীসকলৰ

'আগমোক্ত মার্গ'ৰ প্রচাৰ, মোৱামৰীয়া বিদ্রোহ তথা মানৰ দিনৰ কিছু কথা এই খণ্ডটোত বর্ণিত হৈছে।

- **যদুৰাম ডেকাবৰুৱা ঃ** অসমীয়া ভাষাত অভিধান প্রণেতা যদুৰাম ডেকাবৰুৱাৰ ঘৰ যোৰহাটত আৰু পিতৃ কৃষ্ণদাস ভৰালী বৰুৱা। চন্দ্রকান্ত সিংহ তথা পুৰন্দৰ সিংহৰ চ'ৰাত বিষয়া হিচাপে থকাৰ লগতে ইংৰাজ শাসন কালত মুন্সিফ হিচাপে তেওঁ কার্যনির্বাহ কৰিছিল। ১৯৩৯ চনত তেওঁ *বঙলা-অসমীয়া অভিধান*খন প্রণয়ন কৰি কর্ণেল জেনকিঞ্চ চাহাবৰ হাতত অর্পণ কৰে। এই অভিধানখনকে ভিত্তি হিচাপে লৈ পৰৱর্তী সময়ত ব্রস্নে তেওঁৰ অভিধানখন প্রণয়ন কৰিছিল বুলি সত্যেন্দ্রনাথ শর্মাই অনুমান কৰে।

এই আদি ব্রিটিছ যুগত কমকৈ হ'লেও বৈষ্ণৱ সাহিত্যৰ ধাৰা এটিও চলি আছিল। ঘনশ্যাম খাৰঘৰীয়া ফুকনে এই সময়তে *কল্কিপুৰাণ*ৰ পদ অসমীয়ালৈ অনুবাদ কৰিছিল। ঠিক সেইদৰে পৰশুৰাম দ্বিজে *ধর্মপুৰাণ* আৰু *বিষ্ণুপুৰাণ*ৰ পদ অসমীয়ালৈ ভাঙনি কৰে আৰু ললিতচন্দ্র গোস্বামীয়ে *শ্রীকেলিৰহস্য* ৰচনা কৰে।

এই সময়ছোৱাতে দুতিৰাম হাজৰিকাই মূলতঃ তুংখুঙীয়া ৰাজবংশৰ কথা বর্ণনা কৰি লিখা *কলিভাৰত*ত বৈষ্ণৱ আদর্শৰ দৰে বিলাপত প্রয়োগ কৰা মুক্তাৱলী, লেছাৰি আদি ছন্দ ব্যৱহাৰ কৰিছে। এওঁৰ ৰচনাৰ ঠাঁচত জতুৱা আৰু ঘৰুৱা প্রভাৰ দেখা যায় যদিও আৰৱী-ফার্চীমূলীয় আৰু ইংৰাজীৰ প্রভাৱান্বিত প্রশাসনীয় ভাষাও ব্যৱহৃত হৈছে।

এনেদৰে বিভিন্নজনে অসমীয়া সাহিত্যৰ অন্ধকাৰাচ্ছন্ন এই সময়ছোৱাতো বিবিধ সাহিত্য ৰচনা কৰি অসমীয়া ভাষা-সাহিত্যৰ শ্রীবৃদ্ধিত সহযোগ কৰিছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ শুদ্ধ নে অশুদ্ধ নির্ণয় কৰক—

(ক) ১৮৩৬ চনত স্কুল-কাছাৰী আদিত অসমীয়া ভাষাৰ পৰিৱর্তে বাংলা ভাষাক ইংৰাজে প্রতিষ্ঠা কৰিলে।

(খ) মিছনেৰীসকলে ১৮৪২ চনত শিৱসাগৰত স্থাপন কৰে মিছনেৰী প্রেছ।

(গ) পুৰন্দৰ সিংহৰ আমোলত ৰাজ বৈদ্যৰ আসন শুৱনি কৰিছিল বিশ্বেশ্বৰ বৈদ্যাধিপে।

.....

প্রশ্ন নং ৫ ঃ মণিৰাম দেৱানে লিখা পুথিখনৰ নাম কি?

.....

প্রশ্ন নং ৬ ঃ যদুৰাম ডেকাবৰুৱাই লিখা অভিধানখনৰ নাম কি? এইখন তেওঁ কাৰ হাতত অর্পণ কৰে?

.....



১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ১৮৪৬ চনৰ পৰা ১৮৮৯ চনলৈ এই সময়ছোৱাৰ ভিতৰত ৰচিত অসমীয়া সাহিত্যখিনিক অৰুণোদয় যুগৰ সাহিত্য বুলি অভিহিত কৰা হয়। ১৮৪৬ চনত মিছনেৰীসকলৰ উদ্যোগত *অৰুনোদই* নামৰ আলোচনী তথা সম্বাদপত্ৰ এখন প্ৰকাশ পাইছিল, সেই আলোচনীখনিৰ নামেৰেই এই যুগটোৰ নামকৰণ কৰা হৈছে। এইখনেই অসমীয়া ভাষাত প্ৰকাশ পোৱা প্ৰথম আলোচনী তথা সম্বাদপত্ৰ। এই অধ্যায়টিত 'প্ৰাক্-অৰুণোদয় স্তৰ' (১৮২৬-১৮৪৬ খ্ৰীঃ) বুলি চিহ্নিত সময়ছোৱাৰ সাহিত্যিকসকলৰ ৰচনা সম্পৰ্কেও আলোচনা দাঙি ধৰা হৈছে।
- এই যুগৰ ঐতিহাসিক পটভূমি বিচাৰ কৰি দেখা গৈছে যে ইয়াণ্ডাবু সন্ধি, ইংৰাজ শাসন, মিছনেৰীসকলৰ অসম আগমন— এই তিনিটা কাৰক অৰুণোদয় যুগ সৃষ্টিৰ লগত ঘনিষ্ঠভাৱে জড়িত হৈ আছে। মিছনেৰীসকলে ধৰ্ম প্ৰচাৰৰ কাৰণে অসমলৈ আহিছিল আৰু ধৰ্ম প্ৰচাৰৰ কাৰণেই অসমীয়া ভাষাত পুথি-পাঁজি ৰচনা, পঢ়াশালি আদি স্থাপন কৰিছিল। কিন্তু সেইখিনিয়েই আধুনিক অসমীয়া সাহিত্যৰ পটভূমি ৰচনাত বিশেষ ভূমিকা গ্ৰহণ কৰা দেখা যায়।
- ১৮৩৬ চনত ইংৰাজ চৰকাৰে আদালত আৰু পঢ়াশালিত অসমীয়া ভাষাৰ সলনি বাংলা ভাষা প্ৰচলনৰ যি ভুল সিদ্ধান্ত লৈছিল, মিছনেৰীসকলৰ প্ৰচেষ্টাতেই অসমীয়া ভাষাই হৃত মৰ্যাদা পুনৰ ঘূৰাই পাইছিল।



১০.৬ অধিক জানিবলৈ

১) নেওগ, মহেশ্বৰ (সংকঃ আৰু সম্পাঃ) (১৯৮৩); *অৰুনোদই ১৮৪৬-১৮৫৪;* গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ।

২) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ।

৩) বৰ্মন, শিৱনাথ (সম্পাঃ) (১৯৯৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী, দ্বিতীয় খণ্ড;* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

৪) ভট্টাচাৰ্য, হৰিচন্দ্ৰ (১৯৭০); *অসমীয়া নাট্য সাহিত্যৰ জিলিঙনি*; গুৱাহাটী ঃ সেৱা কুটীৰ।

৫) ভৱালী, শৈলেন (১৯৭৮); *আধুনিক অসমীয়া সাহিত্য (দুটি তৰংগ)*; গুৱাহাটী ঃ নিউ বুক ষ্টল।

৬) শৰ্মা, সত্যেন্দ্ৰনাথ (১৯৯৭); *অসমীয়া উপন্যাসৰ ভূমিকা*; গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

৭) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০২); *অসমীয়া নাট্য সাহিত্য*; গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

৮) শৰ্মা, সত্যেন্দ্ৰনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।

৯) শৰ্মা, হেমন্ত কুমাৰ (২০০৭); *অসমীয়া সাহিত্যত দৃষ্টিপাত*; গুৱাহাটী ঃ বীণা লাইব্ৰেৰী।

১০) শৰ্ম্মা দলৈ, শ্ৰীহৰিনাথ (২০০৪); *অসমীয়া গদ্য সাহিত্যৰ গতি পথ*; গুৱাহাটী ঃ পদ্মাপ্ৰিয়া লাইব্ৰেৰী।



১০.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ মধ্যবিত্ত শ্রেণী।

২ নং প্রশ্নৰ উত্তৰ ঃ ১৯৪০ চনত।

৩ নং প্রশ্নৰ উত্তৰ ঃ আউনীআটী সত্রৰ পৰা *আসাম-বিলাসিনী* (১৮৭১-১৮৮৩), হেমচন্দ্র বৰুৱাৰ *আসাম নিউজ* (১৮৮২-১৮৮৫), গুণাভিৰাম বৰুৱাৰ *আসাম বন্ধু* (১৮৮৫-১৮৮৬), হৰিনাৰায়ণ বৰাৰ সম্পাদিত বলিনাৰায়ণ বৰাৰ *মৌ* (১৮৮৬), শ্রীধৰ বৰুৱাৰ *আসাম তৰা* (১৮৮৯-১৮৯০), কৰুণাভিৰাম বৰুৱাৰ শিশু আলোচনী *ল'ৰাবন্ধু* (১৮৮৮) ইত্যাদি।

৪ নং প্রশ্নৰ উত্তৰ ঃ ক) অশুদ্ধ খ) শুদ্ধ গ) শুদ্ধ

৫ নং প্রশ্নৰ উত্তৰ ঃ *বুৰঞ্জী বিৰেকৰত্ন।*

৬ নং প্রশ্নৰ উত্তৰ ঃ *বঙলা-অসমীয়া অভিধান*। কর্ণেল জেনকিঞ্চৰ হাতত।



১০.৮ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ কোনখিনি সময়ক 'অৰুণোদয় যুগ' বুলি কোৱা হয়?

প্রশ্ন ২ ঃ *অৰুনোদই* আলোচনীখন কোন চনত প্রকাশ পাইছিল?

প্রশ্ন ৩ ঃ অসমীয়া ভাষাৰ প্রথম ব্যাকৰণখন কোনে ৰচনা কৰে?

প্রশ্ন ৪ ঃ শুদ্ধ উত্তৰটো বাছি উলিয়াওক

(গ) *অৰুনোদই* আলোচনীখনি প্রকাশ পায়—

১৮২৬ চনত/১৮৪৬ চনত/১৮৩৬ চনত।

খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ চমুটোকা লিখক —

(ক) মণিৰাম বৰভাণ্ডাৰ বৰুৱা (খ) আত্মাৰাম শর্মা

গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ প্রাক্-অৰুণোদয়কালীন সামাজিক পটভূমি সম্পর্কে বহলাই আলোচনা কৰক।

প্রশ্ন ২ ঃ প্রাক্-অৰুণোদয় যুগৰ সাহিত্য বুলি ক'লে কি বুজে? আলোচনা কৰক।

প্রশ্ন ৩ ঃ 'প্রাক্-অৰুণোদয় স্তৰ'ৰ লেখকসকলৰ বিষয়ে চমুকৈ লিখি তেওঁলোকৰ সাহিত্যকৃতি সম্পর্কে এটি নিবন্ধ যুগুত কৰক।

*** ***** ***